**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-08-2025
**Time :** 1715 Hrs

***Assamese Evening Bulletin***
***Headlines***
**--------------------**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তামুলপুৰ জিলাৰ কেইবাটাও পৰিষদীয় সমষ্টিত অনুষ্ঠিত কাৰ্যকৰ্তা সন্মিলনত অংশগ্ৰহণ কৰি সমাগত বি টি চি পৰিষদীয় নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই দৰঙাজুলি, নাগ্ৰীজুলি আৰু শুক্লাই চেৰফাং পৰিষদীয় সমষ্টিত দলীয় কাৰ্যকৰ্তা সন্মিলনত অংশগ্ৰহণ কৰে। সন্মিলনত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কেইবাটাও বিষয়ত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। বিজেপি চৰকাৰ শাসনত থকালৈ ৰাজ্যত উচ্ছেদ অভিযান অব্যাহত থাকিব বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ লগতে কয় যে মুখ্যমন্ত্ৰীৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পৰাই বি টি আৰত হিংসাত্মক পৰিস্থিতি সংঘটিত হোৱা নাই। বিগত পাঁচ বছৰত বি টি আৰত শান্তিৰ বাতাবৰণ সৃষ্টি কৰা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত প্ৰকাশ কৰে। ইপিনে, মুখ্যমন্ত্ৰীগৰাকীয়ে বি টি চি পৰিষদীয় নিৰ্বাচনৰ বাবে অহা ৫ আগষ্টত চিৰাঙৰ বিজনীত দুখনকৈ দলীয় কাৰ্যকৰ্তা সন্মিলনত অংশগ্ৰহণ কৰিব। ইয়াৰ পূৰ্বে আজি চিৰাং জিলাৰ অভিভাৱক মন্ত্ৰী কৌশিক ৰায়ে সভাৰ প্ৰস্তুতিৰ বুজ লয়।

000000

বড়োলেণ্ড স্বায়ত্ত শাসিত পৰিষদৰ সমাগত সাধাৰণ নিৰ্বাচনক কেন্দ্ৰ কৰি ওদালগুৰি জিলাত অন্যান্য দলৰ লগতে বি পি এফ দলেও সাংগঠনিক তৎপৰতা আৰম্ভ কৰিছে। জিলাখনৰ কলাইগাওঁত মুদৈৱৰী যুৱ বি পি এফ দলৰ উদ্যোগত আজি এটা বিশাল বাইক ৰেলী উলিওৱা হয়। বিটিচি নিৰ্বাচনত এইবাৰ বিজেপিয়ে অকলে প্ৰতিদ্বন্দিতা কৰিব বুলি ঘোষণা কৰাৰ পাছতে আজি যুৱ বি পি এফ দলে উলিওৱা বাইক ৰেলী উদ্বোধন কৰি বি পি এফৰ নেতা তথা বিধায়ক দুৰ্গাদাস বড়োৱে বিটিচি চুক্তিৰ আধাৰত গঠিত বিটিচি পৰিষদত হাগ্ৰামা মহিলাৰীৰ অৱদানৰ কথা উল্লেখ কৰে।

000000

বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে আজি ওদালগুৰি জিলাৰ পানেৰিত ২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা পানেৰি মহাবিদ্যালয়ৰ নতুন প্ৰশাসনিক ভৱন উদ্বোধন কৰে। ৰেইনব আঁচনিৰ অধীনত মহাবিদ্যালয়খনৰ প্ৰশাসনিক ভৱনটো নিৰ্মাণ কৰা হৈছে।

000000

শোণিতপুৰ জিলা দিৱসৰ লগত সংগতি ৰাখি আজি ঢেকিয়াজুলিৰ শ্বহীদ স্মাৰক উদ্যানত বৰ্ণাঢ্য অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত মন্ত্ৰী সিংহলে শোণিতপুৰ জিলাৰ বিকাশ, সংস্কৃতি আৰু বলিষ্ঠ অৱদানৰ বিষয়ে আলোকপাত কৰে। এই অনুষ্ঠানত স্থানীয় কলা-সংস্কৃতিৰ বিকাশৰ বাবে নবীন-প্ৰবীণ শিল্পীৰ দ্বাৰা চিত্ৰাংকন আৰু প্ৰদৰ্শনী আয়োজিত হয়।

000000

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা তিনিদিনত গুৱাহাটীৰ লগতে ৰাজ্যৰ ঠাই বিশেষে বিজুলী-ঢেৰেকণিৰে প্ৰবল বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত গুৱাহাটীত ৭ৰ পৰা ১১ ছেণ্টিমিটাৰ বৰষুণ হোৱাৰ লগতে প্ৰতিঘণ্টাত ৪০ৰ ৫০ কিলোমিটাৰ বেগেৰে ধুমুহা বলাৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞান বিভাগৰ এই আগজাননী চাই ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে গুৱাহাটীৰ জনসাধাৰণক সাৱধানতামূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। দূৰণিবতীয়া যাত্ৰীসকলক বৰষুণৰ সম্ভাৱনালৈ চাই যাত্ৰাৰ পৰিকল্পনা কৰিবলৈ আৰু বৃষ্টিপাতৰ সময়ছোৱাত অযথা ঘৰৰ বাহিৰলৈ নোলাবলৈ কোৱা হৈছে। দ' ঠাই আৰু পাহাৰৰ দাঁতিকাষৰীয়া অঞ্চলত বাস কৰা লোকসকলক বান আৰু ভূমিস্খলনৰ প্ৰতি সতৰ্ক হৈ থাকিবলৈ পৰামৰ্শ আগবঢ়োৱা হৈছে। জনসাধাৰণক লগতে বতৰৰ আগলি বতৰা শুনি থাকিবলৈ আৰু বৰষুণৰ সময়ছোৱাত নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে স্থানীয় কৰ্তৃপক্ষই জাৰি কৰা পৰামৰ্শৱলী অনুসৰণ কৰিবলৈ আহ্বান জনোৱা হৈছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে স্বাভাৱিক সতৰ্কতাৰ বাবে সময়ে সময়ে শেহতীয়া স্থিতিৰ বিষয়ে জনাব।

ইপিনে বতৰ বিজ্ঞান কেন্দ্ৰই চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত প্ৰবল বৃষ্টিপাতৰ সম্ভাৱনা ব্যক্ত কৰি ৰেড এলাৰ্ট জাৰি কৰিছে। ভূমিস্খলনৰ লগতে পাহাৰৰ পৰা নমা পানী ঢলে অসম-অৰুণাচলৰ সীমামূৰীয়া লখিমপুৰ আৰু ধেমাজি জিলাৰ প্ৰতিও ভাবুকি কঢ়িয়াই অনাৰ আশংকালৈ চাই দুয়োখন জিলাতে ৰেড এলাৰ্ট জাৰি কৰা হৈছে।

০০০০০০

সংস্কাৰ ভাৰতী উত্তৰ অসম প্ৰান্তৰ কামৰূপ মহানগৰ জিলা সমিতিৰ উদ্যোগত অনুষ্ঠিত গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি অনুষ্ঠান আজি পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। পদ্মভূষণ সন্মানেৰে সন্মানিত নৃত্যাচাৰ্য্য যতীন গোস্বামীয়ে উদ্বোধন কৰা এই অনুষ্ঠানত পদ্মশ্ৰী সন্মানেৰে সন্মানিত দ্ৰোন ভূঞাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে সংস্কাৰ ভাৰতী উত্তৰ অসম প্ৰান্তৰ কামৰূপ মহানগৰ জিলা সমিতিয়ে গ্ৰীষ্মকালীন কৰ্মশালাৰ অংশ হিচাপে বিভিন্ন বিদ্যালয়ৰ ভিন ভিন কৰ্মশালাৰ আয়োজন কৰিছিল। এই অনুসৰি  হেঙেৰাবাৰী হাইস্কুলত সাধু কথা কোৱা কৰ্মশালা, গোপাল বড়ো চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ভূপেন্দ্ৰ সংগীতৰ কৰ্মশালা, অনুষা কলাকেন্দ্ৰত গোৱালপাৰা লোকগীতৰ কৰ্মশালা, উত্তৰ গুৱাহাটীৰ ৰাগশ্ৰী সংগীত মহাবিদ্যালয়ত-শুকনানি মহিলা ওজাপালি কৰ্মশালা, অনুশুয়া ডান্স একাডেমীত বড়ো লোক নৃত্য আৰু বসুন্ধৰা কলাকেন্দ্ৰত বৰগীতৰ কৰ্মশালা অনুষ্ঠিত কৰা হয়। এই কৰ্মশালাত মুঠ ৩৫৯ গৰাকী ছাত্ৰ -ছাত্ৰীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰে। আজিৰ সামৰণি অনুষ্ঠানত  কৰ্মশালাত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলক মানপত্ৰ প্ৰদান কৰা হয়।

০০০০০০

সমাপ্ত